অধ্যায় ৮ ঃ উত্তৰ-পূব ভাৰতত ৰাজহুৱা আৰু ব্যক্তিগত সম্প্রচাৰ (PUBLIC AND PRIVATE BROADCASTING IN NORTH-EAST INDIA)

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ ডি.ডি.কে. গুৱাহাটী আৰু পি.পি.চি.-এন.ই.ৰ বিশেষ উল্লেখৰ সৈতে দূৰদর্শন
৮.৪ অসমৰ বিশেষ উল্লেখৰ সৈতে উত্তৰ-পূব ভাৰতত ব্যক্তিগত টিভি চেনেলৰ বিকাশ
৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৬ অধিক জানিবলৈ
৮.৭ অগ্রগতিৰ খতিয়ান
৮.৮ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দূৰদর্শনৰ বিষয়ে উল্লেখ কৰি ভাৰতত ৰাজহুৱা সেৱা সম্প্রচাৰৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- উত্তৰ-পূব ভাৰতত ব্যক্তিগত টিভি চেনেলবোৰৰ বিকাশ সম্পর্কে অভিমত প্রকাশ কৰিব পাৰিব।

৮.২ পৰিচয়

১৯৫৯ চনৰ ১৫ ছেপ্টেম্বৰৰ পৰা ভাৰতত টেলিভিছন সেৱা আৰম্ভ হয়। দেশত টেলিভিছন সেৱা প্রৱর্তনৰ আঁৰৰ উদ্দেশ্য আছিল শিক্ষা আৰু তথ্য যোগানৰ জৰিয়তে নাগৰিকৰ উন্নয়ন সাধন কৰা, জীৱন-যাপনৰ মান উন্নত কৰা তথা সম্প্রদায়, সমাজ, অঞ্চল অথবা ৰাজ্য নির্বিশেষে সকলোকে এটা বৃহত্তৰ জাতি ৰূপে একত্র কৰা। সম্প্রতি বিশ্বৰ সর্ববৃহৎ সম্প্রচাৰ প্রতিষ্ঠানবোৰৰ মাজৰ এটা হিচাপে ভাৰতৰ ৰাষ্ট্রীয় টেলিভিছন নে'টৱর্ক দূৰদর্শন'-এ স্থান দখল কৰিবলৈ সক্ষম হৈছে।

১৯৯১ চনত ব্যক্তিগত ছেটেলাইট চেনেলবোৰে কার্যসূচী সম্প্রচাৰ কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে সর্বসাধাৰণে তথ্য গ্রহণ কৰা আৰু পৃথিৱীখনক বুজাৰ ক্ষেত্রত এক আমূল পৰিৱর্তন ঘটিল। বর্তমান ৫০টাতকৈও অধিক বিদেশী ছেটেলাইট চেনেলে ভাৰতত অনুষ্ঠান সম্প্রচাৰ কৰি আছে। ইয়াৰে কেইটামান উল্লেখযোগ্য চেনেল হ'ল— ষ্টাৰ টিভি (Satellite Television

Asian Network), চি.এন.এন. (CNN), ছোনি টেলিভিছন (Sony Television), এ.টি.এন. (Asia Television Network), বি.বি.চি. ৱৰ্ল্ড (BBC World), ডিস্কক্স'ভাৰী চেনেল (Discovery Channel), টি.এন.টি. (TNT), এম.টি.ভি. (MTV), কার্টুন নে'টৱর্ক (Cartoon Network) আদি।

ইয়াৰ আগৰ অধ্যায়ত আমি টেলিভিছনৰ ইতিহাস সম্পর্কে আলোচনা কৰিছিলো। এই অধ্যায়টোত ভাৰতৰ ৰাজহুৱা সম্প্রচাৰক 'দূৰদর্শন'ৰ ভূমিকাৰ বিষয়ে খৰচি মাৰি জানিব পাৰিব। লগতে উত্তৰ-পূব ভাৰতত ব্যক্তিগত টেলিভিছন চেনেলবোৰৰ বিকাশৰ কাহিনীটোও বিতংকৈ জনাৰ সুযোগ পাব।

৮.৩ ডি.ডি.কে গুৱাহাটী আৰু পি.পি.চি.-এন.ইৰ বিশেষ উল্লেখৰ সৈতে দূৰদর্শন (DOORDARSHAN WITH SPECIAL REFERENCE TO DDK GUWAHATI & PPC-NE)

দূৰদর্শন (দূৰ-দর্শন, আক্ষৰিকভাৱে 'টেলিভিছন'ৰ সার্থক অনুবাদ) হ'ল ভাৰতৰ ৰাজহুৱা টেলিভিছন সেৱা সম্প্রচাৰকাৰী বিভাগ। ই ভাৰত চৰকাৰে মনোনীত কৰা ৰাজহুৱা সেৱা সম্প্রচাৰক (Public Service Broadcaster) 'প্রসাৰ ভাৰতী'ৰ (Prasar Bharati) এটা অংশ। ষ্টুডিঅ'ৰ আন্তঃগাঁথনি আৰু ট্রান্সমিটাৰৰ সংখ্যাৰ ফালৰ পৰা দূৰদর্শন হ'ল বিশ্বৰ সর্ববৃহৎ সম্প্রচাৰ প্রতিষ্ঠানবোৰৰ ভিতৰৰ এটা উল্লেখযোগ্য প্রতিষ্ঠান। ১৯৫৯ চনৰ ছেপ্টেম্বৰ মাহত এটা সৰু ট্রান্সমিটাৰ আৰু এটা অস্থায়ী ষ্টুডিঅ'ৰ সহায়ত দূৰদর্শনে দিল্লীত অতি অনাড়ম্বৰভাৱে ইয়াৰ পৰীক্ষামূলক সম্প্রচাৰ আৰম্ভ কৰিছিল। ১৯৬৫ চনত অল ইণ্ডিয়া ৰেডিঅ'ৰ এক অংশ হিচাপে ই নিয়মীয়া আৰু দৈনিক সম্প্রচাৰৰ পাতনি মেলিছিল। ১৯৭২ চনত মুম্বাই (তেতিয়াৰ বোম্বে) আৰু অমৃতসৰলৈ টেলিভিছন সেৱাৰ সম্প্রসাৰণ ঘটোৱা হৈছিল। ১৯৭৫ চনলৈকে ভাৰতৰ সাতখন চহৰৰ দর্শকে টেলিভিছন সেৱা উপভোগ কৰাৰ সুযোগ লাভ কৰিছিল। তেতিয়া-লৈকে দূৰদর্শনেই আছিল ভাৰতৰ একমাত্র টেলিভিছন চেনেল। ১৯৭৬ চনত টেলিভিছন সেৱাক ৰেডিঅ'ৰ পৰা পৃথক কৰা হয়। অল ইণ্ডিয়া ৰেডিঅ' আৰু দূৰদর্শনৰ কার্যালয় দুটা নতুন দিল্লীত দুগৰাকী পৃথক মহানির্দেশকৰ অধীনস্থ সুকীয়া সুকীয়া ব্যৱস্থাপনা বিভাগৰ হাতত অর্পণ কৰা হয়। ইয়াৰ ফলশ্রুতিতে দূৰদর্শনে এটা ৰাষ্ট্রীয় সম্প্রচাৰ বিভাগ ৰূপে নিজৰ অস্তিত্ব ঘোষণা কৰে।

১৯৮২ চনত দূৰদর্শনত 'ৰাষ্ট্রীয় কার্যসূচী'ৰ পাতনি মেলা হয়। একেটা বছৰতে ভাৰতৰ বজাৰত ৰঙীণ টিভি ছেটে ভুমুকি মাৰে। ১৯৮২ চনৰ ১৫ আগষ্টত তদানীন্তন প্রধানমন্ত্রী ইন্দিৰা গান্ধীয়ে দিয়া 'স্বাধীনতা দিৱসৰ ভাষণ'টোৰ পোনপটীয়া (Live Telecast) কৰি দূৰদর্শনে ৰঙীণ অনুষ্ঠান সম্প্রচাৰ আৰম্ভ কৰে। ইয়াৰ পাছতেই ১৯৮২ চনত নতুন দিল্লীত অনুষ্ঠিত হোৱা এছিয়ান গেমছৰ কার্যসূচী ৰঙীণ ৰূপত সম্প্রচাৰ কৰা হয়। 'হম লোগ' (১৯৮৪) আৰু 'বুনিয়াদ' (১৯৮৬-৮৭)ৰ দৰে 'ছ'প' (Soap) অর্থাৎ ধাৰাবাহিক সম্প্রচাৰেৰে ৮০ৰ দশকটোত দূৰদর্শনে

নিজৰ আধিপত্য বিস্তাৰ কৰে। 'য়ে জো হেই জিন্দগী' (১৯৮৪)ৰ দৰে কমেডী ধাৰাবাহিক, 'ৰামায়ণ' (১৯৮৭-৮৮) আৰু 'মহাভাৰত' (১৯৮৮-৮৯)ৰ দৰে পৌৰাণিক নাটকসমূহে লাখ লাখ দৰ্শকক দূৰদৰ্শনৰ অনুগত ভক্ত কৰি তুলিছিল। দূৰদৰ্শনৰ আন কেইটামান অত্যাধিক জনপ্রিয় অনুষ্ঠান আছিল হিন্দী বোলছবিৰ গীতৰ অনুষ্ঠান 'চিত্রহাৰ' আৰু 'ৰংগোলী', অপৰাধ অনুসন্ধানকাৰী থ্রীলাৰ ধাৰাবাহিক 'কৰমচান্দ' (পংকজ কাপুৰে নাম ভূমিকাত অভিনয় কৰিছিল), ব্যোমকেশ বক্সী (ৰজিত কাপুৰ অভিনীত) আৰু জান্‌কী জাচুছ।

এতিয়া প্রায় ১৪০০টা ট্রান্সমিটাৰেৰে গঢ়ি তোলা এটা বিশাল নে'টৱর্কৰ সহায়ত ভাৰতৰ ৯০ শতাংশতকৈও অধিক নাগৰিকে দূৰদৰ্শনৰ (ডি.ডি. নেশ্যনেল) কার্যসূচী উপভোগ কৰিব পাৰে। বর্তমান প্রায় ৪৬টা দূৰদৰ্শন ষ্টুডিঅ'ই টেলিভিছন অনুষ্ঠান নির্মাণ কৰে।

এই মুহূর্তত দূৰদৰ্শনে ১৯টা চেনেলৰ জৰিয়তে কার্যসূচী সম্প্রচাৰ কৰি আছে। ইয়াৰে দুটা হ'ল সর্বভাৰতীয় চেনেল (All India Channels), ১১টা আঞ্চলিক ভাষাৰ ছেটেলাইট চেনেল (RLSC), ৪টা ৰাজ্যিক নে'টৱর্ক (SN), এটা আন্তঃৰাষ্ট্রীয় চেনেল, এটা ক্রীড়া চেনেল আৰু সংসদীয় কার্যসূচীৰ 'পোনপটীয়া সম্প্রচাৰ' (Live Broadcast) কৰিবলৈ দুটা বিশেষ চেনেল (DD-RS আৰু DD-LS) আছে।

ডি.ডি. নেশ্যনেল (DD National) চেনেলত সময়ৰ সমভাগ ভিত্তিত (Time Sharing Basic) আঞ্চলিক আৰু স্থানীয় কার্যসূচীসমূহ সম্প্রচাৰ কৰা হয়। ২০০৩ চনৰ ৩ নবেম্বৰত আত্মপ্রকাশ কৰা ২৪ ঘণ্টীয়া বাতৰি যোগানকাৰী চেনেল 'ডি.ডি. নিউজ'এ (DD News) 'ডি.ডি. মেট্র' (DD Metro) নামৰ মনোৰঞ্জনকাৰী অনুষ্ঠান সম্প্রচাৰ কৰা চেনেলটোৰ স্থান গ্রহণ কৰিলে।

'স্প'র্টছ্ চেনেল'ত ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় পর্যায়ৰ আটাইবোৰ গুৰুত্বপূর্ণ ক্রীড়া বিশেষভাৰে সম্প্রচাৰ কৰা হয়। দূৰদৰ্শনৰ 'স্প'র্টছ্' চেনেলটোৰেই হ'ল একমাত্র ক্রীড়া চেনেল য'ত ব্যক্তিগত সম্প্রচাৰকে কোনো ৰাজহ সংগ্রহ কৰিব নোৱাৰাৰ অজুহাত দেখুৱাই এৰাই চলা খো-খো, কাবাডী আদিৰ দৰে গ্রাম্য ক্রীড়াসমূহ সম্প্রচাৰ কৰা হয়।

'ডি.ডি. ইণ্ডিয়া' (DD-India) নামৰ চেনেলটোৰে ছেটেলাইটৰ সহায়ত আন্তঃৰাষ্ট্রীয় সম্প্রচাৰ কৰা হয়। বিশ্বৰ ১৪৬খন দেশত এই চেনেলটো সহজলভ্য। অৱশ্যে বিদেশত এই চেনেলটো কেনেকৈ উপভোগ কৰা হৈছে সেই বিষয়ে এতিয়াও বিশদ তথ্য সহজলভ্য হৈ উঠা নাই। উদাহৰণস্বৰূপে, ব্রিটেইনত 'ইউৰ'বার্ড' (Eurobird) নামৰ কৃত্রিম উপগ্রহটোৰ সহায়ত 'স্কাই ছিষ্টেম নে'টৱর্ক'ৰ ৮৩৩ নম্বৰ চেনেল হিচাপে (চেনেলটোৰ ল'গ' হ'ল 'ৰায়ত টিভি') 'ডি.ডি. ইণ্ডিয়া'ৰ অনুষ্ঠান চাব পাৰি। 'ডি.ডি. ইণ্ডিয়া ইণ্টাৰনেশ্যনেল'ৰ অনুষ্ঠান সম্প্রচাৰৰ সময় আৰু অনুষ্ঠান নির্মাণশৈলী ভাৰতত সম্প্রচাৰিত অনুষ্ঠানতকৈ পৃথক।

ভাৰতৰ আটাইবোৰ 'দূৰদৰ্শন কেন্দ্র'ই নিজ নিজ আঞ্চলিক ভাষাত নির্মিত অনুষ্ঠান সম্প্রচাৰ কৰে। আঞ্চলিক ভাষাৰ ছেটেলাইট সেৱা (Regional Language Satellite Services) আৰু আঞ্চলিক ৰাজ্যিক নে'টৱর্কবোৰে (Regional State Network) উন্নয়নমূলক বা-বাতৰি, ধাৰাবাহিক, তথ্যচিত্র, বাতৰি আৰু সাময়িক প্রসংগৰ ওপৰত নির্মিত অনুষ্ঠান আদিকে ধৰি বিভিন্ন

বিষয় সম্বলিত আঞ্চলিক ভাষাত নির্মিত অনুষ্ঠান সম্প্রচাৰ কৰে। ইয়াৰ মূল উদ্দেশ্য হ'ল স্থানীয় দর্শকৰ সৈতে আঞ্চলিক ভাষাত যোগাযোগ স্থাপন কৰা। 'ডি.ডি. নেশ্যনেল' চেনেলৰ আঞ্চলিক অনুষ্ঠান প্রচাৰৰ বাবে নির্ধাৰিত সময়চোৱাত আঞ্চলিক ভাষাত নির্মিত অনুষ্ঠানসমূহ 'টেৰেষ্ট্রীয়েল ট্রান্সমিটাৰ'ৰ জৰিয়তে কৰা সম্প্রচাৰৰ সহায়ত নির্দিষ্ট ৰাজ্য এখনৰ দর্শকে উপভোগ কৰিব পাৰে। দেশৰ অন্য ঠাইৰ দর্শকে দিনটোৰ সকলো সময়তে আঞ্চলিক ভাষাৰ ছেটেলাইট চেনেলবোৰৰ (RLSC) সহায়ত কোনো বিশেষ আঞ্চলিক ভাষাত নির্মিত অনুষ্ঠানসমূহ চোৱাৰ সুযোগ পায়।

উত্তৰ-পূবাঞ্চলত দূৰদর্শনৰ সেৱা ঃ দূৰদর্শনে উত্তৰ-পূর্বাঞ্চলত টেলিভিছন সেৱাৰ বিকাশত অধিক গুৰুত্ব আৰোপ কৰিছে। অঞ্চলটোৰ পার্বত্য এলেকাসমূহৰ বাবে অধিক সংখ্যক ট্রান্সমিটাৰ স্থাপন কৰাটো প্রয়োজনীয় হৈ পৰিছে। বর্তমান সমগ্র উত্তৰ-পূর্বাঞ্চলত ১৩২টা ট্রান্সমিটাৰ আছে। উত্তৰ-পূর্বাঞ্চলত দূৰদর্শনৰ ১২টা অনুষ্ঠান প্রস্তুতকাৰী কেন্দ্র আছে। 'ডি.ডি. নর্থ-ইষ্ট' নামৰ চেনেলটো হ'ল উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যকেইখনৰ বাবে স্থাপিত সংযুক্ত ছেটেলাইট টেলিভিছন সেৱা (Composite Satellite Television Service)। ই অসমীয়া, ইংৰাজীৰ উপৰি উত্তৰ-পূবত প্রচলিত বহুকেইটা ভাষা আৰু দোৱানত (Dialects) অনুষ্ঠান সম্প্রচাৰ কৰে। অনুষ্ঠানসমূহ মনোৰঞ্জনকাৰী ধাৰাবাহিক, তথ্য সম্বলিত কার্যসূচী, সামাজিক অনুষ্ঠান, বাতৰি, সাময়িক প্রসংগ, কলা আৰু সংস্কৃতি আদি বিভিন্ন বিষয়ৰ সংমিশ্রণ।

অঞ্চলটোৰ মেঘালয়, মণিপুৰ, অসম, নাগালেণ্ড, মিজোৰাম, ত্রিপুৰা, চিক্কিম আৰু অৰুণাচল প্রদেশৰ ৰাজধানী চহৰবোৰত টেলিভিছন ষ্টুডিঅ' স্থাপন কৰা হৈছে। মেঘালয়ৰ গাৰো পাহাৰৰ তুৰা তথা অসমৰ ডিব্রুগড় আৰু শিলচৰ চহৰত অতিৰিক্ত টিভি কেন্দ্র স্থাপন কৰা হৈছে। ডি.ডি.কে-গুৱাহাটীৰ বাহিৰে বাকী আটাইকেইটা টিভি কেন্দ্রই এটা কর্ম সপ্তাহত দৈনিক ১২০ মিনিটীয়া অনুষ্ঠান সম্প্রচাৰ কৰে। ইয়াৰ ওপৰঞ্চিকৈ, উত্তৰ-পূর্বাঞ্চলত স্থাপন কৰা সকলোবোৰ ট্রান্সমিটাৰৰ জৰিয়তে গুৱাহাটী কেন্দ্রত নির্মিত সংযুক্ত অনুষ্ঠানসমূহ ৰীলে কৰা হয়। এই অনুষ্ঠানসমূহৰ ভিতৰত আছে ইংৰাজী ভাষাৰ এখন 'নিউজ বুলেটিন' আৰু অঞ্চলটোৰ সকলো প্রান্তৰ দর্শককে আকর্ষণ কৰিব পৰা বিভিন্ন সংমিশ্রিত অনুষ্ঠান। উত্তৰ-পূর্বাঞ্চলৰ সকলো প্রধান ষ্টেশ্যনতে 'ছেটেলাইট আপলিংকিং' (Satellite Uplinking) সুবিধা গঢ়ি তোলা হৈছে। ইয়াৰ জৰিয়তে এতিয়া গুৱাহাটী আৰু দিল্লীলৈ বাতৰি তথা অন্য বিশেষ প্রসংগৰ ওপৰ নির্মিত অনুষ্ঠানৰ 'ফিডিং' (Feeding) যোগান ধৰা কামটো সহজে সমাধা কৰিব পৰা যায়।

উত্তৰ-পূব ভাৰতত থকা দূৰদর্শন কেন্দ্র (DDK)ৰ তালিকা

কেন্দ্র	কেন্দ্র শুভাৰম্ভ	ভাষা	সম্প্রচাৰ সময়
ইটানগৰ	০৫/০২/১৯৯৬	হিন্দী	সন্ধিয়া ৬-৮ বজালৈ
গুৱাহাটী	২৪/০৩/১৯৮৫	অসমীয়া	সন্ধিয়া ৩-৮ বজালৈ
ডিব্রুগড়	৩১/০৫/১৯৯৩	অসমীয়া	সন্ধিয়া ৬-৮ বজালৈ
শিলচৰ	৩০/০৪/১৯৯৩	অসমীয়া আৰু বাংলা	সন্ধিয়া ৬-৮ বজালৈ
ইম্ফল	৩০/০৪/১৯৯৩	মণিপুৰী	সন্ধিয়া ৬-৮ বজালৈ
শ্বিলং	৩০/০৪/১৯৯৩	খাছী আৰু জয়ন্তীয়া	সন্ধিয়া ৬-৮ বজালৈ
তুৰা	৩১/০৫/১৯৯৩	গাৰো	সন্ধিয়া ৬-৮ বজালৈ
আইজল	১২/০৬/১৯৯৫	মিজো	সন্ধিয়া ৬-৮ বজালৈ
ক'হিমা	৩০/০৩/১৯৯৩	ইংৰাজী	সন্ধিয়া ৬-৮ বজালৈ
গেংট'ক	০১/১১/২০০৪	নেপালী	সন্ধিয়া ৬-৮ বজালৈ
আগৰতলা	২০/১১/১৯৯২	বাংলা/ক'কবৰ'ক	সন্ধিয়া ৬-৮ বজালৈ

উৎস ঃ www.ddindia.gov.in

প্রথমৰ পৰাই চৰকাৰে দূৰদর্শনৰ ওপৰত নিজৰ একাধিপত্য প্রদর্শন কৰি আহিছে। ইয়াৰ ফলতেই প্রতিখন চৰকাৰেই দূৰদর্শনক কঠোৰভাৰে নিয়ন্ত্রণ কৰা আমি দেখিবলৈ পাওঁ। নীতিগতভাৱে দূৰদর্শন কেৱল সংসদৰ ওচৰতহে জবাবদিহি। দূৰদর্শনে অনুষ্ঠান নির্মাণ আৰু সম্প্রচাৰৰ ক্ষেত্রত কেনে নীতি বা কৌশল অৱলম্বন কৰা উচিত সংসদে সেই বিষয়ে পৰামর্শ দিয়ে আৰু সংসদৰ মজিয়াত হোৱা বিতর্কৰ অন্তত দূৰদর্শনৰ বাজেটত অনুমোদন জনোৱা হয়। কিন্তু দূৰদর্শনৰ ৰাজনৈতিক নিৰপেক্ষতা প্রতিপন্ন কৰিবলৈ সংসদে বান্ধি দিয়া দিক্-নির্দেশনা সংসদত সংখ্যা-গৰিষ্ঠতা লাভ কৰা শাসক দলৰ স্বার্থৰ হকে বহুক্ষেত্রতে উলাই কৰি চলা হয়। দূৰদর্শন সংসদৰ তত্বাৱধানত পৰিচালিত হোৱাৰ বিপৰীতে চৰকাৰৰ ইচ্ছা অনুসৰি পৰিচালিত হ'বলগীয়া হয়। ইখনৰ পিছত সিখন চৰকাৰ আৰু শাসন ক্ষমতা লাভ কৰা ৰাজনৈতিক দলবোৰে দূৰদর্শনক তেওঁলোকৰ ৰাজনৈতিক কার্যসূচীৰ প্রচাৰক হিচাপে ব্যৱহাৰ কৰি আহিছে। ফলত ৰাজনৈতিক প্রক্রিয়াটোৰ এক নিৰপেক্ষ অংশগ্রহণকাৰী ৰূপে দূৰদর্শনৰ যি ভাৱমূর্তি গঢ়ি তোলাৰ প্রয়াস আছিল সেয়া ক্রমে দুর্বল হৈ পৰিছে। মাজে মাজে দূৰদর্শনক বি.বি.চিৰ দৰে এটা ৰাজহুৱা নিগমলৈ ৰূপান্তৰিত কৰাৰ প্রচেষ্টা চলে যদিও চৰকাৰ এনে এটা শক্তিশালী মাধ্যমৰ ওপৰত থকা ইয়াৰ নিয়ন্ত্রণ হেৰুৱাই পেলোৱাৰ পক্ষপাতী নহয় বুলি ক'ব পৰা যায়। চৰকাৰে ১৮৮৫ চনৰ 'ভাৰতীয় টেলিগ্রাফ আইন'ৰ পৰা দেশৰ সম্প্রচাৰ সেৱাসমূহ পৰিচালনা কৰাৰ একচেটিয়া

অধিকাৰ আহৰণ কৰিছে। আইনখনে চৰকাৰক অনাতাঁৰ সেৱাসমূহ 'স্থাপন, তদাৰক আৰু বলৱৎ' (Establish, Maintain and Work) কৰিবলৈ বিশেষ অধিকাৰ প্ৰদান কৰিছে। ইয়াৰ উপৰি সংবিধানে সম্প্ৰচাৰ ক্ষমতা কেৱল সংসদক অৰ্পণ কৰিছে। সংবিধান মতে ৰাজ্য প্ৰশাসনে টেলিভিছন বিষয়ক কোনো আইন প্ৰণয়ন কৰিব নোৱাৰে। এই সুবিধাসমূহৰ পৰিধিৰ ভিতৰত প্ৰচাৰ মাধ্যমক স্বায়ত্তশাসন প্ৰদান কৰা অথবা ইয়াৰ ওপৰত থকা নিয়ন্ত্ৰণৰ যি কোনো ধৰণৰ শিথিলকৰণ কেৱল চৰকাৰৰ বিশেষাধিকাৰ ক্ষমতা আছিল বুলি ধৰি ল'ব পাৰি। কিন্তু ১৯৯৫ চনত চৰকাৰৰ এই একচেটিয়া অধিকাৰক উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনোৱা হয়। ন্যায়ালয়ে ৰায়দান কৰে যে সম্প্ৰচাৰৰ ওপৰত থকা চৰকাৰৰ আধিপত্য অসাংবিধানিক। ৰাজহুৱা স্বাৰ্থৰ খাতিৰত সম্প্ৰচাৰ বিধিসংগতভাৱে নিয়ন্ত্ৰণ কৰাৰ অধিকাৰ (Right to Regulate) চৰকাৰৰ হাতত আছে যদিও সংবিধানে সকলো ধৰণৰ মাধ্যমৰ ওপৰত ব্যক্তি বিশেষ অথবা চৰকাৰ উভয়ৰে একাধিপত্য বাৰণ কৰিছে। ন্যায়ালয়ে 'আকাশীতৰংগ'ৰ (Airwave) ব্যৱহাৰ 'নিয়ন্ত্ৰিত আৰু বিধিসংগত' (Controlling and Regulating) কৰিবলৈ চৰকাৰক এটা স্বতন্ত্ৰ ৰাজহুৱা কৰ্তৃপক্ষ (Independent Public Authority) গঠন কৰাৰ নিৰ্দেশ দিছে। ন্যায়ালয়ৰ এই সিদ্ধান্তই ভাৰতীয় সম্প্ৰচাৰ ক্ষেত্ৰখনক এক উল্লেখযোগ্য সংৰচনাত্মক পৰিৱৰ্তন সাধন কৰে। লগতে স্থলভাগত স্থাপন কৰা ট্ৰান্সমিটাৰৰ সহায়ত আগবঢ়োৱা টেলিভিছন সেৱা অৱশেষত চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্ত হোৱাৰ সম্ভাৱনীয়তাও স্পষ্ট হৈ পৰে।

সময়ৰ পৰিৱৰ্তনৰ সৈতে টেলিভিছনৰ ওপৰত থকা চৰকাৰী নিয়ন্ত্ৰণ যে এদিন নাইকিয়া হ'ব সেয়া ধুৰূপ। দূৰদৰ্শনৰ শুল্ক আহৰণ প্ৰণালীটোলৈ পৰিৱৰ্তন আহিছে আৰু ই বৰ্দ্ধিত ব্যৱসায়িক হেঁচাৰ প্ৰতি সঁহাৰি জনোৱা পৰিলক্ষিত হৈছে। সেয়েহে ক'ব পাৰি যে দূৰদৰ্শনে প্ৰস্তুত কৰা কাৰ্যসূচীসমূহে লাহে লাহে বজাৰৰ চাহিদা আৰু হেঁচা অনুসৰি নিজৰ ৰূপ সলাবলৈ বাধ্য হ'ব। অৱশ্যে চৰকাৰ আৰু বজাৰ উভয় দিশৰ পৰা পোৱা তীব্ৰ হেঁচাৰ পাছতো দূৰদৰ্শনে ইয়াৰ ৰাজহুৱা সেৱাৰ লক্ষ্য নাপাহৰাকৈ অনুষ্ঠান নিৰ্মাণ আৰু সম্প্ৰচাৰ অব্যাহত ৰখাৰ প্ৰচেষ্টা চলাই আছে। কিন্তু ৰাজহুৱা স্বাৰ্থৰ খাতিৰত টেলিভিছন সেৱা বিধিসংগতভাৱে নিয়ন্ত্ৰণ কৰিবলৈ উচ্চতম ন্যায়ালয়ে চৰকাৰক এটা স্বতন্ত্ৰ ৰাজহুৱা কৰ্তৃপক্ষ গঠন কৰাৰ শেহতীয়া নিৰ্দেশ দিয়াৰ পাছত ভাৰতীয় টেলিভিছনে চৰকাৰৰ শ্বাসৰুদ্ধকাৰী ৰাজনৈতিক নিয়ন্ত্ৰণ আৰু বজাৰৰ ব্যৱসায়িক হেঁচা দুয়োটাকে প্ৰতিহত কৰিব পাৰিব বুলি আশা কৰিব পাৰি। এটা শিথিলভাৱে নিয়ন্ত্ৰিত সম্প্ৰচাৰ পদ্ধতিত ৰাজ্য চৰকাৰ, শৈক্ষিক প্ৰতিষ্ঠান, অনা-চৰকাৰী সংগঠন আৰু সামাজিক সেৱা প্ৰদানকাৰী এজেন্সীকে আদি কৰি বহুজনে অংশগ্ৰহণ কৰিব পাৰিব। উচ্চতম ন্যায়ালয়ে এটা বহলভিত্তিক টেলিভিছন পদ্ধতি বিকশাই তোলাৰ সুবিধা প্ৰদান কৰিছে। আসন্ন কেইবছৰমানৰ ভিতৰত দেশে এই সুবিধাটোৰ প্ৰতি কেনে ধৰণৰ সঁহাৰি জনায় তাৰ ওপৰত পৰৱৰ্তী শতিকাত ভাৰতীয় সম্প্ৰচাৰৰ ভৱিষ্যত নিৰ্ভৰ কৰিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ দূৰদৰ্শনৰ আক্ষৰিক অৰ্থ কি?

.....

.....

.....

প্ৰশ্ন নং ২ ঃ ১৯৮০ চনক দূৰদৰ্শনৰ ..... যুগ বুলি অভিহিত কৰা হয়।

প্ৰশ্ন নং ৩ ঃ কাবাডী আৰু খো-খোৰ দৰে গ্ৰামীণ খেলসমূহ সম্প্ৰচাৰ কৰা কেন্দ্ৰটো কি?

.....

প্ৰশ্ন নং ৪ ঃ ইউ.কেত ..... উপগ্ৰহৰ যোগেদি sky system দ্বাৰা ৮৩৩ চেনেলত ডি.ডি. ইণ্ডিয়া চেনেল উপলব্ধ।

প্ৰশ্ন নং ৫ ঃ উত্তৰ-পূব ভাৰতত টেলিভিছনৰ বিকাশ সম্পৰ্কে চমুকৈ আলোচনা কৰক।

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৬ ঃ টেলিভিছন কেতিয়া ৰেডিঅ'ৰ পৰা পৃথক হয়?

.....

প্ৰশ্ন নং ৭ ঃ ভাৰতত প্ৰথম ৰঙীণ টেলিভিছন সম্প্ৰচাৰ কেতিয়াৰ পৰা আৰম্ভ কৰা হয়? কি উপলক্ষে এই সম্প্ৰচাৰ আৰম্ভ কৰা হৈছিল?

.....

.....

৮.৪ অসমৰ বিশেষ উল্লেখৰ সৈতে উত্তৰ-পূব ভাৰতত ব্যক্তিগত টিভি চেনেলৰ বিকাশ (GROWTH OF PRIVATE TV CHANNELS IN NORTH EAST INDIA WITH SPECIAL REFERENCE TO ASSAM)

১৯৯১ চনৰ উপসাগৰীয় যুদ্ধৰ (Gulf War) ভাৰতৰ টেলিভিছন সেৱা ক্ষেত্রখনক উল্লেখনীয় ধৰণে প্রভাৱিত কৰিলে। আমেৰিকাৰ বাতৰি পৰিবেশনকাৰী চেনেল চি.এন.এন.এ (CNN) পোনপ্রথমবাৰৰ বাবে যুদ্ধৰ পোনপটীয়া সম্প্রচাৰ কৰি ভাৰতত আন্তঃৰাষ্ট্রীয় টেলিভিছন সেৱাৰ পাতনি মেলিলে। চি.এন.এনৰ এই সম্প্রচাৰে দেশত এক বিশাল সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিলে। দেশৰ এক বুজন পৰিমাণৰ ডেকা ক্ষুদ্র ব্যৱসায়ীয়ে এটা লাভজনক ব্যৱসায় ৰূপে ইয়াৰ সম্ভাৱনীয়তা মূল্যায়ন কৰিলে। ব্যক্তিগত ঘৰলৈ 'কেবল্ নে'টৱর্ক'ৰ জৰিয়তে কৃত্রিম উপগ্রহই প্রেৰণ কৰা সংকেত বিতৰণ কৰাৰ বর্তমান প্রচলিত উপায়টো তেওঁলোকেই পোনপ্রথমে কার্যত ৰূপায়ণ কৰি দেখুৱাইছিল। ভাৰতত ছেটেলাইট চেনেলবোৰৰ প্রৱেশৰ কাহিনীটো অনন্য। 'কেবল্ অপাৰেটৰ' এজনে ছেটেলাইট চেনেলবোৰ গ্রহকযন্ত্রৰ সহায়ত গ্রহণ কৰে। তাৰ পাছত তেওঁ 'কেবল্ নে'টৱর্ক' এটাৰ জৰিয়তে এটা ক্ষুদ্র মাচুলৰ বিনিময়ত চেনেলবোৰ গ্রাহক-দর্শকৰ টিভিছেটলৈ যোগান ধৰে। চি.এন.এন.ৰ লগতে আন বহুতো বিদেশী ব্যক্তিগত ছেটেলাইট চেনেলে 'ভাৰত' নামৰ এই বিশাল বজাৰখনত মনোনিৱেশ কৰেহি। ৰূপার্ট মাৰ্ডক'ৰ 'ষ্টাৰ টিভি'এ 'এছিয়াছেট-ওৱান' (Asiasat-1) নামৰ কৃত্রিম উপগ্রহটোৰ সহায়ত ষ্টাৰ টিভি নে'টৱর্কৰ ১৯৯২ চনৰ পৰা সম্প্রচাৰ আৰম্ভ কৰিলে। তেওঁলোকে ছ'প অ'পেৰা, চিনেমা, সংগীত, খেল, বাতৰি ইত্যাদি বিভিন্ন বিষয়ৰ ভালেকেইটা 'ফ্রী-টু-এয়াৰ' (Free-to-Air) অর্থাৎ বিনামূলীয়াকৈ সম্প্রচাৰ কৰিব পৰা চেনেলৰ জৰিয়তে সেৱা আগবঢ়াবলৈ ল'লে। প্রথম অৱস্থাত এই আটাইবোৰ চেনেলেই আছিল ইংৰাজী ভাষাৰ। পোনপ্রথমবাৰৰ বাবে ভাৰতীয় দর্শকে দূৰদর্শনৰ একাধিপত্যত অভ্যস্ত হৈ পৰা চকুৰে টেলিভিছনে দৰাচলতে কিমান ধৰণে দর্শকক মনোৰঞ্জন কৰিব পাৰে সেয়া প্রত্যক্ষ কৰাৰ সুযোগ পালে।

কিন্তু কিছুদিনৰ পাছত দেখা গ'ল যে, ভাৰতৰ দৰে বৈচিত্র্যময়, ভাষাতাত্বিক দিশত সমৃদ্ধ, এক অনন্য সাংস্কৃতিক বৈশিষ্ট্যৰে ভৰা দেশ এখনত সম্পূর্ণ ইংৰাজী ভাষাভিত্তিক চেনেলৰ মাধ্যমেৰে নিজ ক্ষেত্রত সম্প্রসাৰণ ঘটোৱা সহজসাধ্য কাম নহ'ব। এনে দেশ এখনত তিষ্ঠিবলৈ হ'লে দর্শক কেৱল বিদেশী উৎসৰ সহায়ত নির্মিত অনুষ্ঠান উপভোগ কৰি সন্তুষ্ট হৈ থাকিব বুলি ভবাটো যে ঠিক নহ'ব সেয়া সকলোৱে বুজি পালে। বহুতো উদ্যোগী ভাৰতীয়ই এই অৱকাশ দেখিলে আৰু সুযোগৰ সদব্যৱহাৰ কৰিলে। 'জী টিভি নে'টৱর্ক' হ'ল এই সুযোগ গ্রহণ কৰি আত্মপ্রকাশ কৰা দেশৰ প্রথমটো হিন্দী ভাষাৰ চেনেল। ই ভাৰতীয় দর্শকৰ বাবে ভাৰততে তৈয়াৰ কৰা অনুষ্ঠান এটা বিদেশী কৃত্রিম উপগ্রহৰ সহায়ত সম্প্রচাৰ কৰিবলৈ ধৰিলে। অনতি পলমে চেনেলটোৰ কেইবাটাও ভগ্নী চেনেলে আত্মপ্রকাশ কৰিলে। দেশৰ বৃহত্তৰ মধ্যবিত্ত পৰিয়ালবোৰত ভাৰতত নির্মিত ছ'প অপেৰা, সংগীতানুষ্ঠান, বোলছবিভিত্তিক চেনেলবোৰে

জনপ্রিয়তা অর্জন কৰিবলৈ সক্ষম হ'ল। বর্তমান দেশৰ সর্বমুঠ ৭ কোটি (70 million) টেলিভিছন ছেট থকা পৰিয়ালৰ ভিতৰত প্রায় ৩ কোটি ৭০ লাখ (37 million) পৰিয়ালে ছেটেলাইট চেনেলৰ অনুষ্ঠান উপভোগ কৰে। দেশত চেনেলৰ সংখ্যা বৃদ্ধিৰ হাৰ দৃষ্টান্তমূলক। এই ক্ষেত্রত ভাৰতীয় আঞ্চলিক ভাষাৰ চেনেলৰ কথা বিশেষভাৱে উল্লেখ কৰিব পাৰি। দেশৰ দক্ষিণ অঞ্চলৰ ৰাজ্যসমূহে এই দিশত প্রধান ভূমিকা গ্রহণ কৰিছে। এই কার্যৰ বাটকটীয়া হ'ল তামিল ভাষাৰ চেনেল 'ছান টিভি'। অনতি পলমে কন্নড়, মালায়ালম আৰু তেলুগু ভাষাৰ চেনেলে আত্মপ্রকাশ কৰিলে। প্রায় সকলোবোৰ চেনেলেই দর্শকৰ চাহিদা পূৰাব পৰাকৈ খাপ খাই পৰা একাধিক চেনেল গুচ্ছৰ সেৱা আৰম্ভ কৰিলে। বর্তমান এগৰাকী ভাৰতীয় দর্শকে ইংৰাজী, হিন্দী আৰু অন্য আঞ্চলিক ভাষাৰ ৯০টাতকৈও অধিক চেনেলৰ কার্যসূচী উপভোগ কৰিব পাৰে।

দেশৰ অন্যান্য ৰাজ্যৰ তুলনাত উত্তৰ-পূর্বাঞ্চলৰ ৰাজ্যসমূহত বৈদ্যুতিক মাধ্যমৰ উদ্ভৱ আৰু বিকাশৰ গতি লেহেমীয়া। সুদীর্ঘকাল কেৱল অল ইণ্ডিয়া ৰেডিঅ' আৰু দূৰদর্শনে বৈদ্যুতিক মাধ্যমটোক গতিশীল কৰি ৰাখিছিল। এনে কৰিবলৈ যাওঁতে ৰাজ্য ভিত্তিক পৰিচালিত মাধ্যমে একক আধিপত্য বিস্তাৰ কৰিছিল। আজিৰ পৰা কেইবছৰমান আগতহে ব্যক্তিগত ৰেডিঅ' কেন্দ্র (Private Radio Channel) আৰু ব্যক্তিগত মালিকানাৰ টেলিভিছন (দূৰদর্শন) কেন্দ্র (Private Television Channel) স্থাপিত হয়। অৱশ্যে ক্রমাগত হাৰত বৃদ্ধি পাবলৈ ধৰা উপগ্রহ (Satellite) চেনেল আৰু অঞ্চলটোত বাঢ়ি অহা সিবিলাকৰ জনপ্রিয়তাই দূৰদর্শনৰ বাবে এটা প্রত্যাহ্বান সৃষ্টি কৰিছে। পিছে নাগালেণ্ডত এতিয়ালৈকে ব্যক্তিগত মালিকানাৰ টেলিভিছন উদ্যোগটোৱে খুঁটি পুতিব পৰা নাই যিহেতু নাগালেণ্ডৰ সর্বসাধাৰণ মানুহখিনিৰ প্রয়োজন পুৰাব পৰাকৈ ভালেমান টেলিভিছন চেনেলৰ অৱস্থিতি আছে। ৰাজ্যখনৰ প্রাণকর্তা স্বৰূপ (Savior) টেলিভিছন চেনেল এফ-ই টিভি বা ফাৰ্ ইষ্ট টিভিয়েই হৈছে একমাত্র টেলিভিছন চেনেল যিটোৰ সংকেত বা কার্যসূচী পৃথিৱীৰ ১২৫খন দেশলৈ সম্প্রচাৰিত হয়। সেই স্থানসমূহ হৈছে ক্রমে— এছিয়া, ইউৰোপ, অষ্ট্রেলিয়া, মধ্যপ্রাচ্য আৰু দক্ষিণ আফ্রিকা।

অন্যান্য উত্তৰ পূর্বাঞ্চলৰ ৰাজ্যৰ তুলনাত মেঘালয়ৰ বৈদ্যুতিক মাধ্যমৰ সামগ্রিক ৰূপটোৱে সিমান সন্তোসজনক নহয়। ৰাজ্য পৰিচালিত AIR আৰু DDৰ বাহিৰে মেঘালয়ৰ লোকসকলৰ বাবে অন্যান্য বিবিধতাপূর্ণ টেলিভিছন চেনেল নাই। ৰাজ্যৰ দূৰদর্শন সেৱাই স্থলীয় (Terrestrial) টেলিভিছন চেনেলসমূহ প্রেৰণ কৰে। কেবল নে'টৱর্কৰ মাধ্যমেদি সাপ্তাহীক ভাৱে কিছুমান টেলিভিছন চেনেল, যেনে— পি চি এন, ৰি খাচী চেনেল, বাহউচি আদি সম্প্রচাৰিত হয়। ইংৰাজী ভাষাৰ বাতৰি সম্প্রচাৰিত হোৱা একমাত্র চেনেলটো হৈছে মিডিয়া প্লাছ।

মিজোৰামত দূৰদর্শনৰ বাহিৰেও ব্যক্তিগত মালিকানাৰ চেনেল আছে। এই স্থানীয় চেনেলসমূহ বিজ্ঞাপন প্রচাৰ আৰু শিক্ষামূলক উদ্দেশ্য পুৰণত প্রভাৱশালী আৰু ফলপ্রসূ মাধ্যম ৰূপে ধৰা দিছে। DD মিজোৰাম হৈছে এটা ৰাজ্যিক মালিকানাযুক্ত টেলিভিছন চেনেল যিটো মিজোৰাম দূৰদর্শন কেন্দ্রৰ দ্বাৰা সম্প্রচাৰিত হয়। অতি সোনকালে প্রচাৰ ভাৰতীয়ে অৰুণাচল প্রদেশ আৰু চিকিমৰ বাবে 'প্রভা' নামৰ এটা টেলিভিছন চেনেল আৰম্ভ কৰাৰ কথা উল্লেখ কৰিছে। উত্তৰ-

পূর্বাঞ্চলৰ এই দুখন ৰাজ্যৰ ঐশ্বর্যশালী কলা আৰু সংস্কৃতিৰ প্রচাৰ আৰু প্রসাৰৰ বাবে এনে এটা পদক্ষেপ গ্রহণৰ যো-জা চলিছে। নর্থ ইষ্ট লাইভ হৈছে অৰুণাচল প্রদেশৰ একমাত্র বাতৰি চেনেল। এইটো গুৱাহাটী স্থিত প্রাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্রইভেট লিমিটেডৰ ভগ্নী গোট চেনেল (Sister Channel) মণিপুৰত ইন্‌ফর্মেশ্বন ছার্ভিচ টেলিভিছন নে'টৱর্কে ইংৰাজী আৰু অসমীয়া ভাষাত বাতৰি সম্প্রচাৰ কৰে। উপগ্রহ (Satellite) আৰু কেবল টেলিভিছনৰ অভ্যুদয়ৰ লগতে অধিক উন্নত ছপা প্রযুক্তি আৰু কম্‌পিউটাৰৰ প্রচলনে মণিপুৰত প্রচাৰ মাধ্যমৰ ছবিখনেই সলনি কৰি দিলে। দূৰদর্শন কেন্দ্র ইম্ফলে সাধাৰণতে মণিপুৰী ভাষাতে বিভিন্ন কার্যসূচী সম্প্রচাৰিত কৰে। মনিপুৰী ভাষাটো ৰাজ্যখনৰ সংযোগী ভাষা। ডি.ডি.কে ইম্ফলে তাৰ মানুহক তথ্য আৰু বিনোদনৰ যোগান ধৰে। দূৰদর্শনৰ স্থানীয় কার্যসূচীসমূহ বাহিৰেও মানুহে কেবল টেলিভিছনত বাতৰি আৰু বিভিন্ন বিনোদনৰ কার্যক্রম উপভোগ কৰে। প্রায় ২৯গৰাকী কেবল সা-সুবিধা প্রদানকাৰী ব্যক্তিয়ে তাৰ নগৰ আৰু উপ-নগৰীয়া অঞ্চলসমূহত কেবল সেৱা বিতৰণ কৰে।

ডি.ডি. ত্রিপুৰা হৈছে এটা চৰকাৰী (State Owned) টেলিভিছন চেনেল। যিটো দূৰদর্শন কেন্দ্র, আগৰতলাৰ পৰা সম্প্রচাৰিত হয়। দূৰদর্শনৰ বাহিৰেও ত্রিপুৰা ৰাজ্যৰ এক উন্নত, সজীৱ বৈদ্যুতিক মাধ্যম আছে। টেলিভিছনৰ ক্ষেত্রত এইযাৰ কথা বাৰুকৈয়ে প্রযোজ্য। 'আকাশ ত্রিপুৰা' এটা অতি জনপ্রিয় টেলিভিছন চেনেল। 'খবৰ ৩৬৫ দিন' এন-ই বাংলা' আৰু 'ভইছ্‌ ২৪ ত্রিপুৰা' ৰাজ্যখনৰ অন্যান্য জনপ্রিয় উপগ্রহ সেৱা চেনেল। 'খবৰ ৩৬৫ দিন' হৈছে এটা চেটেলাইট ফ্রী-টু-এয়াৰ টিভি চেনেল যিটো ত্রিপুৰাৰ লোকসকলৰ বাবে বাংলা/অসমীয়া ভাষাত সম্প্রচাৰ কৰা হয়। এই চেনেলটো ব্রাণ্ড ভেল্যু কমিউনিকেশ্বনৰ উদ্যোগত গঢ়ি উঠিছে আৰু ইয়াক ভিডিঅ'কণ D2HD2HDTHত দেখিবলৈ পোৱা যায়।

চিকিমত দূৰদর্শনৰ বহুল প্রসাৰ ঘটিছে। গুৱাহাটীৰ ফ'কাছ এন-ই (পূর্বৰ এন-ই টিভি) য়ে চিকিমতো ইয়াৰ কার্যক্ষেত্র সম্প্রসাৰিত কৰিছে।

অসমত ব্যক্তিগত মালিকানাৰ চেটেলাইট চেনেলৰ উদ্ভৱ (Growth of Private Satellite Channels in Assam) ঃ সর্বভাৰতীয় স্তৰৰ টেলিভিছনৰ প্রেক্ষাপটৰ লগত তুলনা কৰিলে অসমতো ২০০৪ চনলৈকে দূৰদর্শনৰ একক আধিপত্য চলিছিল। ২০০৪ চনত নামেটৰ উত্তৰ পূর্বাঞ্চলে আৰু বিশেষকৈ অসমে নর্থ ইষ্ট টেলিভিছন (NE TV) নাম প্রথমটো ব্যক্তিগত চেটেলাইট (উপগ্রহ) চেনেল লাভ কৰে। সম্প্রতি এই চেনেলটো ফ'কাছ এন-ই (Focus NE) নামে জনাজাত। ২০০৪ চনৰ পৰা তাৰ পৰৱর্তী চাৰি বছৰলৈ ফ'কাছ এন-ই (তেতিয়াৰ এন-ই টিভি)য়েই অসমৰ একমাত্র ব্যক্তিগত মালিকানাৰ উপগ্রহ চেনেল আছিল। ২০০৮ চনৰ পিছত সেই দৃশ্যপটলৈ আমূল পৰিৱর্তন আহিল আৰু অসমত এটাৰ পিছত এটাকৈ প্রত্যক্ষ বা পৰোক্ষভাবে কোনোবা ৰাজনৈতিক নেতা বা ব্যৱসায় গোষ্ঠীৰ মালিকানাৰ টেলিভিছন চেনেলৰ উদ্ভৱ হ'ল। এই খিনিতে এইটো উল্লেখ কৰা প্রসংগিক হ'ব যে ২০১৪ চনৰ জুলাই মাহত তথ্য আৰু সম্প্রচাৰ মন্ত্রালয়ে আগবঢ়োৱা তথ্য অনুসৰি ভাৰতত ৭৯৮টা অনুমোদিত ব্যক্তিগত মালিকানাৰ উপগ্রহ টেলিভিছন সেৱা উপলব্ধ। অসমৰ মুখ্য সংবাদ চেনেলসমূহ হৈছে—

- ডিৰাই ৩৬৫ (DY 365)
- ফ'কাছ এন-ই (Focus NE)
- নিউজ লাইভ (News Live)
- নিউজ নে'টৱর্ক (News Network)
- নিউজ টাইম অসম (News Time Assam)
- প্রাগ নিউজ (Prag News)
- ফ্রণ্টিয়াৰ টিভি (Frontier TV)

সংবাদ চেনেলসমূহৰ বাহিৰেও অসমত ভালেকেইটা বিনোদনধর্মী চেনেল আছে। সেই কেইটা হৈছে—

- ডি.ডি. নর্থ ইষ্ট (DD North East)
- ৰং (Rang)
- ৰেঙণী (Rengori)
- ফ'কাছ হাই ফাই (Focus Hi Fi)
- জোনাক (Jonakk)
- প্রাগ্ চেনেল (Prag Channel)
- ৰামধেনু (Ramdhenu)

প্রাগ নিউজ উত্তৰ-পূর্বাঞ্চলৰ সবাতোকৈ পুৰণি স্থানীয় সংবাদ চেনেল। এই চেনেলটো ২০০০ চনৰ পৰা কার্যক্ষম হয়। ই গুৱাহাটীত স্থাপিত হৈছে। চিটি কেবলৰ মাধ্যমেদি প্রাগ চেনেলটো ভাৰতৰ বিভিন্ন অঞ্চললৈ সম্প্রচাৰিত হয়। যেনে— বিহাৰ (দর্শ নে'টৱর্ক), জম্মু আৰু কাশ্মীৰ (ছেভেন চী), পাঞ্জাৱ (ফাষ্টৱে) অঞ্চলত আৰু পশ্চিম বংগ (চিটিভিএন) (CTVN)। সমগ্র অসমতে এই চেনেলটো প্রত্যক্ষ কৰিব পাৰি। কেৱল সিমানেই নহয়, উত্তৰ-পূর্বাঞ্চলৰ আটাইকেইখন ৰাজ্যই প্রাগচেনেলৰ সেৱা উপভোগ কৰিব পাৰে। এই সেৱা উপভোগ কৰা দর্শকৰ সংখ্যা দহ নিযুততকৈও অধিক।

ফ'কাছ এন-ই (পূর্বৰ এন-ই টিভি) হৈছে সর্বপ্রথম ব্যক্তিগত মালিকানৰ উপগ্রহ চেনেল যিটোৱে উত্তৰ-পূর্বাঞ্চলত ২৪ ঘণ্টীয়া সেৱা আগবঢ়ায়। এই সেৱাই উত্তৰ পূর্বাঞ্চলৰ আঠোখন ৰাজ্যক সামৰে। ২০০৩ চনত আৰম্ভ হোৱা এইটো উত্তৰ-পূর্বাঞ্চলৰ প্রথম ভূ স্থল স্থিত কেন্দ্র (Earth Station) তথা টেলিপর্ট (Teleport) যাৰ মালিকীস্বত্ব Positive Television Pvt. Ltd.ৰ হাতত ন্যস্ত। তিনিটা অত্যাধুনিক (State-of-the-Art) ষ্টুডিঅ'ৰে সাজ্জিত আৰু গুৱাহাটীৰ পৰা আপ্ লিংক ব্যৱস্থাৰে সংযোজিত এইটো এটা ২৪ ঘণ্টীয়া সংবাদ চেনেল যিয়ে অসমৰ বিভিন্ন ভাষাৰ লগতে উত্তৰ-পূর্বাঞ্চলত প্রচলিত অন্যান্য ভাষাত সংবাদ বুলেটিন আৰু সাম্প্রতীকি (Current Affairs Programme) কার্যসূচী সম্প্রচাৰ কৰে। ই অসমীয়া, ইংৰাজী, হিন্দী, বাংলা, মণিপুৰী, নাগামিজ, বৰো, মিজো, গাৰো, নেপালী আদি ভাষাত সংবাদ পৰিবেশন কৰে। সংবাদৰ উপৰিও ই বিভিন্ন প্রকাৰৰ তথ্য সমৃদ্ধ বিনোধন ধর্মী (Infotainment) কার্যসূচী সম্প্রচাৰ

কৰে। ইয়াৰ অন্য দুটা উপচেনেল (Subsidiary Channel) আছে। সেই কেইটা হৈছে ক্ৰমে— ফ'কাছ হাই ফাই আৰু ফ'কাছ বাংলা (Focus Bangla) এইকেইটা বিনোদনধৰ্মী চেনেল যিকেইটাই উত্তৰ-পূবৰ আঠোখন ৰাজ্যৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ পোহৰ মেলি ধৰে।

নিউজ লাইভ চেনেলৰ মালিকীস্বত্ব প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ (Pride East Entertainment Pvt. Ltd.)ৰ হাতত ন্যস্ত। এই চেনেলটোৰ ২০০৮ চনৰ জানুৱাৰী মাহৰ ২ তাৰিখে শুভাৰম্ভ হৈছিল। এইটো এটা ২৪ ঘণ্টীয়া দ্বি-ভাষিক সংবাদ চেনেল যিয়ে সমগ্ৰ বিশ্বৰ বা-বাতৰি সামৰি লোৱাৰ লগতে বিশেষভাৱে অসম আৰু উত্তৰ পূবৰ অন্যান্য ৰাজ্য কেইখনক গুৰুত্ব দিয়ে। নিউজ লাইভ হৈছে দেশৰ প্ৰথমটো স্বয়ংক্ৰিয় যন্ত্ৰৰ সহায়ত কাম কৰা (Automated) উপগ্ৰহ সংবাদ চেনেল সেৱা। ই অসমৰ বিভিন্ন প্ৰান্ত আৰু নতুন দিল্লীস্থিত ছটা Online Bureau (কাৰ্যালয়)ৰ সহায়ত নিজৰ কাম-কাজ সুচাৰু ৰূপে চলায় যায়। ভাৰতৰ বিভিন্ন অংশত নিউজ লাইভৰ কাৰ্যালয় (Bureau) আছে।

ডিৱাই ৩৬৫ (Dy 365) অসমৰ অন্য এটা ২৪ ঘণ্টীয়া উপগ্ৰহ চেনেল। ডিৱাই ৩৬৫এ অসমীয়া, হিন্দী, বাংলা আৰু ইংৰাজী ভাষাত সংবাদ সম্প্ৰচাৰ কৰে। এই চেনেলটো ২০০৮ চনৰ ৩০ অক্টোবৰ তাৰিখত আৰম্ভ কৰা হৈছিল। Dy 365. Brahmaputra Tele Productions Pvt. Ltd.ৰ অন্তৰ্গত এটা শাখা। এই চেনেলটোৱো ভাৰতৰ বিভিন্ন অংশত Bureau বা কাৰ্যালয় আছে।

নিউজ টাইম অসম অসমৰ অন্য এটা সংবাদ চেনেল যিটো ২০১০ চনৰ ২৫ ডিচেম্বৰ তাৰিখে মুকলি কৰা হৈছিল। এই চেনেলটোৱে জনসাধাৰণৰ বাবে জ্বলন্ত সমস্যা (Burning Issues) ৰূপে দেখা দিয়া সমস্যাসমূহ প্ৰতিফলিত হোৱাকৈ সংবাদ আৰু অনুষ্ঠান-কাৰ্যসূচী পৰিবেশ কৰে।

ফ্ৰ'ণ্টিয়াৰ টিভি হৈছে অন্য এটা উপগ্ৰহ চেনেল যিটোৱে বৈদ্যুতিক সংবাদ সম্প্ৰচাৰৰ ক্ষেত্ৰত উল্লেখনীয় যোগদান আগবঢ়াইছে। গুৱাহাটীত এই চেনেলটোৰ মুখ্য কাৰ্যালয় অৱস্থিত। পৰ্যায়ক্ৰমে এই চেনেলটো উত্তৰ-পূৰ্বাঞ্চলৰ এটা অভিনৱ আৰু প্ৰভাৱশালী টেলিভিছন চেনেল ৰূপে গা কৰি উঠিছে। চেনেলটোৱে অঞ্চলটোৰ চাৰিটা প্ৰধান ভাষা ক্ৰমে অসমীয়া, বাংলা, হিন্দী আৰু ইংৰাজীত বিভিন্ন বুলেটিন আৰু কাৰ্যসূচী সম্প্ৰচাৰ কৰে।

ডি.ডি. নৰ্থ ইষ্ট হৈছে চৰকাৰী মালিকানাৰ টেলিভিছন চেনেল যিটো দূৰদৰ্শন কেন্দ্ৰ, গুৱাহাটীত, আগৰতলা, ক'হিমা, ইম্ফল, শিলচৰ, ডিব্ৰুগড়, তুৰা, আইজল, ইটানগৰ আৰু শ্বিলঙৰ যোগেদি সম্প্ৰচাৰিত হয়। ডি.ডি. নৰ্থ ইষ্ট চেনেল উত্তৰ-পূবৰ ৰাজ্যসমূহৰ বাবে সেইটো সংযুক্ত উপগ্ৰহ টেলিভিছন সেৱা যিটোৱে উত্তৰ-পূব ভাৰতৰ বিভিন্ন উপভাষাৰ লগতে অসমীয়া, বাংলা, ইংৰাজী আৰু অন্যান্য ভাষাত বিভিন্ন কাৰ্যসূচী সম্প্ৰচাৰ কৰে।

নিউজ নে'টৱৰ্ক (News Network) অসমৰ অন্য এটা ব্যক্তিগত টেলিভিছন চেনেল যিটো ২০১১ চনৰ আগষ্ট মাহত আৰম্ভ কৰা হৈছিল।

প্ৰাইম নিউজ টিভি চেনেল নতুনকৈ আৰম্ভ হোৱা এটা অসমীয়া সংবাদ চেনেল। এই সংবাদ

চেনেলটোৱে বিভিন্ন ধৰণৰ মনো�ৰঞ্জনধর্মী অনুষ্ঠানৰ লগতে তথ্য সমৃদ্ধ বিনোদনৰ কার্যসূচী সম্প্রচাৰিত কৰে। এই চেনেলটোৰ দৈনিক সম্প্রচাৰণ হয়। এই চেনেলটোৰ যোগেদি অসমৰ বাবে বৰণীয়া সাংস্কৃতিক সমলসমূহ উদ্ভাসিত হোৱাৰ লগতে সমগ্র উত্তৰ-পূর্বাঞ্চলৰ সাংস্কৃতিক ঐতিহ্য আৰু ভাৰতৰ অন্যান্য প্রান্তৰ সংস্কৃতি সাংস্কৃতিক সমলৰ প্রচাৰ হয়।

ৰেঙণী (Rengori) উত্তৰ-পূব ভাৰতৰ এটা অগ্রণী মনোৰঞ্জনধর্মী চেনেল। ইয়াৰ যোগেদি কাল্পনিক কথা-কাহিনী আৰু বাস্তৱভিত্তিক অনুষ্ঠান মনোজ্ঞ ৰূপত দর্শকসকললৈ আগবঢ়োৱা হয়।

ৰং (Rang) অন্য এটা মনোৰঞ্জনধর্মী অসমীয়া চেনেল যাৰ মালিকীস্বত্ব গুৱাহাটী স্থিত Pride East Entertainments Pvt. Ltd.ৰ হাতত ন্যস্ত। এই চেনেলটোৰ শুভাৰম্ভ হয় ২০০৯ চনৰ ১ অক্টোবৰ তাৰিখে। এইটো জনপ্রিয় অসমীয়া সংবাদ চেনেল নিউজ লাইভৰ ভগ্নীগোট চেনেল।

ৰামধেনু উত্তৰ-পূব ভাৰতৰ সংগীতক প্রাধান্য দিয়া এটা টেলিভিছন চেনেল। এই চেনেলটো ২০১১ চনৰ ১ অক্টোবৰ তাৰিখৰ দিনা আৰম্ভ কৰা হয়। এইটো অসমৰ গুৱাহাটীস্থিত Pride East Entertainments Pvt. Ltd.ৰ অন্তর্গত চেনেল। এইটো উত্তৰ-পূব ভাৰতৰ সর্বপ্রথম উপগ্রহ সংগীত টেলিভিছন চেনেল। এই চেনেলটোৱে অসমীয়া আৰু উত্তৰ-পূর্বাঞ্চলৰ অন্যান্য ভাষাত সংগীতৰ ভিডিঅ' সম্প্রচাৰ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ ভাৰতলৈ নিজৰ সম্প্রচাৰ সেৱা সম্প্রসাৰিত কৰা প্রথমটো বিদেশী উপগ্রহ চেনেল কোনটো?

.....

প্রশ্ন নং ৯ ঃ ভাৰতৰ সর্ব প্রথম উপগ্রহ চেনেলটোৰ নাম কি?

.....

প্রশ্ন নং ১০ ঃ উত্তৰ-পূবত আৰম্ভ কৰা প্রথমটো ব্যক্তিগত মালিকানাৰ উপগ্রহ চেনেল কোনটো ?

.....

প্রশ্ন নং ১১ ঃ কেতিয়া নিউজ লাইভ চেনেলটো আৰম্ভ কৰা হয়?

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৫৯ চনৰ ১৫ ছেপ্টেম্বৰৰ দিনা ভাৰতত পোন প্রথম বাৰৰ বাবে টেলিভিছন সেৱা আৰম্ভ হয়।
- ১৯৭৬ চনত টেলিভিছন সেৱা ৰেডিঅ' সেৱাৰ পৰা পৃথক কৰা হয়।
- ১৯৮২ চনটো দুটা উল্লেখযোগ্য ঘটনাৰ বাবে স্মৰণীয়। প্রথমটো হৈছে ৰাষ্ট্রীয় কার্যসূচীৰ শুভাৰম্ভ আৰু দ্বিতীয়টো ভাৰতত ৰঙীণ টেলিভিছনৰ প্রচলনৰ আৰম্ভণি।
- ২০০৩ চনৰ ৩ নৱেম্বৰ তাৰিখে ডি.ডি. মেট্র' (DD Metro) বিনোদনধর্মী চেনেলটো সলাই দূৰদর্শনে ইয়াৰ ডি.ডি. নিউজ চেনেল (DD-News Channel) আৰম্ভ কৰে।
- পোন প্রথমে আমেৰিকাৰ সংবাদ চেনেল চি.এন.এন.এ ভাৰতলৈ উপসাগৰীয় যুদ্ধ (Gulf War)ৰ সংবাদ প্রেৰণ কৰিছিল।
- ফকাছ এন-ই (পূর্বৰ NE TV) হৈছে উত্তৰ-পূব ভাৰতৰ সর্বপ্রথম ২৪ ঘণ্টীয়া ব্যক্তিগত মালিকানাধীন উপগ্রহ চেনেল।
- ২০০৮ চনৰ ২১ জানুৱাৰী তাৰিখে প্রাইদ ইষ্ট এণ্টাৰটেইনমেণ্ট প্রইভেট লিমিটেডৰ মালিকানাধীন নিউজ লাইভ চেনেলটো শুভাৰাম্ভ কৰা হয়।
- ২০১০ চনৰ ৩ জুলাই তাৰিখে ডিৱাই ৩৬৫ নামৰ অসমৰ জনপ্রিয় উপগ্রহ চেনেলটোৰে ইয়াৰ বিনোদনধর্মী 'জোনাক' চেনেলটো আৰম্ভ কৰে।



৩.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, Vira Bala, Gupta, V. S. (2001), *Handbook of Journalism and Mass Communication*, Concept Publishing Company, New Delhi.
2) Kumar, Keval J. (2006), *Mass Communication in India*, Jaico Publishing House, Mumbai.
3) Srinivas, Melkote, Agrawal, Binod C. and Shields, Peter (1998). *International Satellite Broadcasting in South Asia*. University Press of America.

4) Sahay, Uday (2006). *Making News– Handbook of the Media in Contemporary India*. Oxford University Press.

5) Singhal, Arvind and Everett Rogers (2001). *India's Communication Revolution– From Bullock Carts to Cyber Marts*. Sage Publications.

৮.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃদূৰদৰ্শন অৰ্থাৎ দূৰ-দৰ্শন, আক্ষৰিকভাৱে 'টেলিভিছন'ৰ সাৰ্থক অনুবাদ।

২নং প্ৰশ্নৰ উত্তৰ ঃধাৰাবাহিকৰ।

৩নং প্ৰশ্নৰ উত্তৰ ঃডি.ডি. স্প'টছ।

৪নং প্ৰশ্নৰ উত্তৰ ঃইউৰ'বাৰ্ড।

৫নং প্ৰশ্নৰ উত্তৰ ঃদূৰদৰ্শনে উত্তৰ-পূৰ্বাঞ্চলত টেলিভিছন সেৱাৰ বিকাশত অধিক গুৰুত্ব আৰোপ কৰিছে। অঞ্চলটোৰ পাৰ্বত্য এলেকাসমূহৰ বাবে অধিক সংখ্যক ট্ৰান্সমিটাৰ স্থাপন কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। বৰ্তমান সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত ১৩২টা ট্ৰান্সমিটাৰ আছে। উত্তৰ-পূৰ্বাঞ্চলত দূৰদৰ্শনৰ ১২টা অনুষ্ঠান প্ৰস্তুতকাৰী কেন্দ্ৰ আছে।

'ডি. ডি. নৰ্থ-ইষ্ট' নামৰ চেনেলটো হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ বাবে স্থাপিত সংযুক্ত ছেটেলাইট টেলিভিছন সেৱা। ই অসমীয়া, ইংৰাজীৰ উপৰি উত্তৰ-পূবত প্ৰচলিত বহুকেইটা ভাষা আৰু দোৱানত অনুষ্ঠান সম্প্ৰচাৰ কৰে। অনুষ্ঠানসমূহ মনো�ৰঞ্জনকাৰী ধাৰাবাহিক, তথ্য সম্বলিত কাৰ্যসূচী, সামাজিক অনুষ্ঠান, বাতৰি, সাময়িক প্ৰসঙ্গ, কলা আৰু সংস্কৃতি আদি বিভিন্ন বিষয়ৰ সংমিশ্ৰণ।

অঞ্চলটোৰ মেঘালয়, মণিপুৰ, অসম, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা, চিক্কিম আৰু অৰুণাচল প্ৰদেশৰ ৰাজধানী চহৰবোৰত টেলিভিছন ষ্টুডিঅ' স্থাপন কৰা হৈছে। মেঘালয়ৰ গাৰো পাহাৰৰ তুৰা তথা অসমৰ ডিব্ৰুগড় আৰু শিলচৰ চহৰত অতিৰিক্ত টিভি কেন্দ্ৰ স্থাপন কৰা হৈছে। ডি.ডি.কে-গুৱাহাটীৰ বাহিৰে বাকী আটাইকেইটা টিভি কেন্দ্ৰই এটা কৰ্ম সপ্তাহত দৈনিক ১২০ মিনিটীয়া অনুষ্ঠান সম্প্ৰচাৰ কৰে। ইয়াৰ ওপৰঞ্চিকৈ, উত্তৰ-পূৰ্বাঞ্চলত স্থাপন কৰা সকলোবোৰ ট্ৰান্সমিটাৰৰ জৰিয়তে গুৱাহাটী কেন্দ্ৰত নিৰ্মিত সংযুক্ত অনুষ্ঠানসমূহ ৰীলে কৰা হয়। এই অনুষ্ঠানসমূহৰ ভিতৰত আছে ইংৰাজী ভাষাৰ এখন 'নিউজ বুলেটিন' আৰু অঞ্চলটোৰ সকলো প্ৰান্তৰ দৰ্শককে আকৰ্ষণ কৰিব পৰা বিভিন্ন সংমিশ্ৰিত অনুষ্ঠান। উত্তৰ-পূৰ্বাঞ্চলৰ সকলো প্ৰধান ষ্টেশ্যনতে 'ছেটেলাইট আপলিংকিং' সুবিধা গঢ়ি তোলা হৈছে। ইয়াৰ জৰিয়তে এতিয়া গুৱাহাটী আৰু দিল্লীলৈ বাতৰি তথা অন্য বিশেষ প্ৰসংগৰ ওপৰ নিৰ্মিত অনুষ্ঠানৰ 'ফিডিং' যোগান ধৰা কামটো সহজে সমাধা কৰিব পৰা যায়।

৬নং প্রশ্নৰ উত্তৰ ঃ১৯৭৬ চনত।

৭নং প্রশ্নৰ উত্তৰ ঃ১৯৮২ চনৰ পৰা, ১৫ আগষ্টৰ স্বাধীনতা দিৱসত তদানীন্তন প্রধানমন্ত্রী ইন্দিৰা গান্ধীয়ে দিয়া স্বাধীনতা দিৱসৰ ভাষণ সম্প্রচাৰ কৰিবলৈ

৮নং প্রশ্নৰ উত্তৰ ঃচি.এন.এন. (CNN)।

৯নং প্রশ্নৰ উত্তৰ ঃজী টি ভি (Zee TV)।

১০নং প্রশ্নৰ উত্তৰ ঃ এন.ই. টিভি (NE TV)।

১১নং প্রশ্নৰ উত্তৰ ঃ নিউজ লাইভ চেনেলটো ২০০৮ চনৰ ২ জানুৱাৰীত আৰম্ভ কৰা হৈছিল।



৮.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ ভাৰতৰ টেলিভিছন আৰম্ভ কৰাৰ প্রাথমিক উদ্দেশ্য কি?

প্রশ্ন ২ ঃ দূৰদর্শনৰ নিয়মীয়া সংচাৰ (transmission) কেতিয়াৰ পৰা আৰম্ভ হয়?

প্রশ্ন ৩ ঃ দূৰদর্শনৰ কোনটো চেনেল ছেটেলাইটৰ মাধ্যমেদি আন্তঃৰাষ্ট্রীয় স্তৰত সম্প্রচাৰিত হয়?

প্রশ্ন ৪ ঃ Asia Sat বুলিলে কি বুজে?

প্রশ্ন ৫ ঃ উত্তৰ-পূব ভাৰতৰ আটাইতকৈ পুৰণি স্থানীয় সংবাদ চেনেলটো কি?

খ) চুটি প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ আপুনি ভাবে নেকি যে ব্যক্তিগত খণ্ডৰ অন্যান্য ভাৰতীয় ছেটেলাইট চেনেলৰ আবির্ভাবে অসমৰ থলুৱা চেনেলকেইটাৰ বাবে প্রত্যাহ্বানৰ সৃষ্টি কৰিছে। —ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমত ইলেক্ট্রনিক্স মাধ্যমৰ উদ্ভৱ আৰু বিকাশ লেহেমীয়া গতিৰ বুলি আপুনি ভাবে নেকি? উদাহৰণসহ আপোনাৰ উত্তৰটোৰ যুক্তিযুক্ততা বিচাৰ কৰক।

খ) ৰচনাধর্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ উত্তৰ-পূব ভাৰতত ব্যক্তিগত ছেটেলাইট চেনেলৰ উদ্ভৱ সম্বন্ধে আলোচনা কৰক।

প্রশ্ন ২ ঃ দূৰদর্শনৰ ওপৰত ব্যক্তিগত খণ্ডৰ ছেটেলাইট চেনেলৰ প্রভাৱ কেনেকুৱা?

প্রশ্ন ৩ ঃ অসমত ব্যক্তিগত খণ্ডৰ ছেটেলাইট ছেনেলৰ উদ্ভৱ সম্পর্কে বিশ্লেষণাত্মক আলোচনা আগবঢ়াওক।

প্রশ্ন ৪ ঃ ভাৰতত প্রচাৰ মাধ্যমৰ দৃশ্যপটলৈ বৈপ্লৱিক জাগৰণ অনাৰ ক্ষেত্রত বিদেশী ছেটেলাইট চেনেলসমূহৰ ভূমিকা কি?

*** ***** ***